Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



দশম শ্রেণীৰ বাবে

ইতিহাস

পাঠ - ২

মহাত্মা গান্ধী আৰু ভাৰতৰ স্বাধীনতা সংগ্রাম

অংশ – ৫

অনামিকা দাস

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ভাৰতীয় জাতীয় সেনা বাহিনী

- ১৯৪২ চনৰ বিদ্রোহ দমনৰ পিছত ১৯৪৫ চনত বিশ্বযুদ্ধ শেষ নোহোৱালৈকে দেশৰ ভিতৰত কোনো ৰাজনৈতিক কার্যকলাপ হোৱা নাছিল।
- জাতীয় আন্দোলনে অৱশ্যে দেশৰ সীমাৰ বাহিৰত এক নতুন ৰূপত প্রকাশ পাইছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- দুবাৰকৈ জাতীয় কংগ্ৰেছৰ সভাপতি নিৰ্বাচিত সুভাষ চন্দ্ৰ বসুক ব্ৰিটিছ বিৰোধীতাৰ বাবে ১৯৪১ চনত কলিকতাৰ বাসভৱনত গৃহবন্দী কৰা হৈছিল।
- কিন্তু আৰক্ষী তথা চোৰাংচোৱা বাহিনীৰ বেহু ভাঙি তেওঁ আফগানিস্তান, ৰাছিয়া, জাৰ্মানী, ব্ৰহ্মদেশ আৰু মালয়লৈ যাত্ৰা কৰে।
- ১৯৪৩ চনত তেওঁ জাতীয়তাবাদী নেতা ৰাস বিহাৰী বসুৰ সহায়ত ভাৰতীয় জাতীয় সেনা বাহিনী (আই এন এ) বা আজাদ হিন্দ ফৌজ পুনৰ গঠন কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



সুভাষ চন্দ্ৰ বসু

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ভাৰতীয় জাতীয় সেনাৰ ধাৰণাটো প্ৰথমে পোষণ কৰিছিল মালয়ত ব্ৰিটিছ সেনা বাহিনীত চাকৰি কৰি পিছত জাপানী সৈন্যৰ ওচৰত আত্মসমৰ্পণ কৰিৰবলগীয়া হোৱা ভাৰতীয় বিষয়া কেপ্তেইন মোহন সিঙে।
- ১৯৪২ চনৰ মাৰ্চ মাহত টকিঅ'ত প্ৰবাসী ভাৰতীয়ৰ এখন সন্মিলন অনুষ্ঠিত হয় আৰু তাত ভাৰতীয় স্বতন্ত্ৰ লীগ গঠন হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- বেংককত (জুন, ১৯৪২) এখন সম্মিলন অনুষ্ঠিত হয় য'ত ৰাস বিহাৰী বসুক লীগৰ সভাপতি নিৰ্বাচিত কৰা হয় আৰু তাতেই ভাৰতীয় জাতীয় সেনা বাহিনী বা আজাদ হিন্দ ফৌজক পুনৰুজ্জীৱিত কৰাৰ সিদ্ধান্ত লোৱা হয়।
- বেংকক সম্মিলনে সুভাষ চন্দ্ৰ বসুকো জাপানলৈ আমন্ত্ৰণ জনায়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- তেওঁৰ আগমনৰ পিছতে ৰাস বিহাৰী বসুই ভাৰতীয় স্বতন্ত্ৰ লীগৰ সভাপতি পদৰ পৰা পদত্যাগ কৰে। আই. এন. এ. মূল মূৰব্বী হিচাপে সুভাষ চন্দ্ৰ বসুৰ নাম ঘোষণা কৰে।
- ছিংগাপুৰত ১৯৪৩ চনৰ ২১ অক্টোবৰত তেওঁ স্বাধীন ভাৰতৰ অস্থায়ী চৰকাৰ গঠন কৰি বৃটিছৰ মুক্ত ভাৰত গঠনৰ সংকল্প কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- আই এন এ পুনৰ সংগঠিত হ'ল, আৰু ভাৰতীয় যুদ্ধবন্দীসকলৰ বাহিৰেও সাধাৰণ মানুহকো সৈন্যবাহিনীত ভর্তি কৰা হয়, যুদ্ধ পুঁজি গঠন কৰা হয়। ঝান্সী ৰাণী ৰেজিমেণ্ট নামৰ মহিলা বাহিনী গঠন কৰা হয়।
- আই এন এৰ শ্লোগান আছিল 'জয় হিন্দ'।
- বৃটিছ আৰু সহযোগী সৈন্যৰ বিপক্ষে ভাৰতীয় জাতীয় সেনা বাহিনীয়ে জাপানৰ লগলাগি বার্মা, ইম্ফল আৰু কহিমাত যুদ্ধ কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- বসুৰ বিখ্যাত উক্তি, ‘মোক তেজ দিয়ক আৰু মই তোমাক স্বাধীনতা দিম।
- কিন্তু জাপানৰ পৰাজয় আৰু যুদ্ধত আত্মসমর্পণৰ ফলত অৱশেষত আই এন এ আত্মসমর্পণ কৰে।
- ১৯৪৫ চনৰ আগষ্ট মাহত হোৱা বিমান দুর্ঘটনাত সুভাস বসুৰ মৃত্যু হোৱাৰ খবৰ পোৱা বিয়পি পৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

স্বাধীনতাৰ প্ৰাৰম্ভ —

- ১৯৪৫ চনত বৃটিছসকলে দ্বিতীয় বিশ্বযুদ্ধত জয় লাভ কৰে। ভাৰতীয়সকলক কিছু ক্ষমতা অৰ্পণৰ বাবে ভাইচৰয় লৰ্ড ৱাভেলে চিমলাত এখন সন্মিলন আহ্বান কৰে। কিন্তু সন্মিলনখন বিফল হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কেবিনেট মিছন (১৯৪৬) —

- ব্রিটেইনৰ প্রধানমন্ত্রী ক্লিমেণ্ট এটলিয়ে ভাৰতলৈ কেবিনেট মিছন প্রেৰণ কৰে।
- মিছনৰ উদ্দেশ্য আছিল ৰাজনৈতিক সমস্যাৰ সমাধান বিচাৰি উলিওৱা আৰু ভাৰতক স্বাধীন হোৱাত সহায় কৰা।
- *মিছনত এটলীৰ কেবিনেটৰ পৰা তিনিজন সদস্য আছিল —*
  - ছাৰ ষ্টেফোর্ড ক্রিপছ
  - লর্ড পেথিক লৰেন্স
  - এ.ভি. আলেকজেণ্ডাৰ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কেবিনেট মিছনৰ পৰামৰ্শ—

- ব্রিটিছ অধিকৃত ভাৰতৰ লগতে দেশীয় ৰাজ্যবোৰক সামৰি বৈদেশীক পৰিক্রমা, প্রতিৰক্ষা আৰু যোগাযোগক নিয়ণন্ত্রনত ৰাখি এখন যুক্তৰাষ্ট্র গঠন কৰা।
- ভাৰতক প্রদেশ সমূহক তিনিটা গোটত ভাগ কৰা হ'ব—
  - ক গোট: মাদ্রাজ, বোম্বাই, কেন্দ্রীয় প্রদেশ, যুক্ত প্রদেশ, বিহাৰ আৰু উৰিষ্যা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- খ গোট : উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ, পঞ্জাব, সিন্ধু, আৰু বেলুচিস্তান
- গ গোট : বংগ আৰু অসম
  - ভাৰতৰ নতুন সংবিধান সৃষ্টিৰ বাবে এখন সংবিধান সভা গঠন কৰা হ'ব।
  - নতুন সংবিধান প্ৰস্তুত নোহোৱালৈকে কেন্দ্ৰত এখন অস্থায়ী চৰকাৰ গঠন কৰা হ'ব।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সংবিধানসভাৰ নিৰ্বাচন —

- সংখ্যাগৰিষ্ঠ আসন লাভ কৰে কংগ্রেছে।
- মুছলিম লীগে বৰ্জন কৰি ১৬ আগষ্ট ১৯৪৬ চনত পাকিস্তানক সাকাৰ ৰূপত পাবলৈ প্রত্যক্ষ দাবী দিৱস পালন কৰে।
- বিভিন্ন অঞ্চলত বিশেষকৈ বংগত সাম্প্রদায়িক সংঘর্ষই চূড়ান্ত ৰূপ লয়।
- পণ্ডিত জৱাহৰলাল নেহৰুৰ নেতৃত্বত অন্তৰৰ্তীকালীন চৰকাৰ গঠন।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- মুছলিম লীগে উক্ত চৰকাৰত অংশ গ্ৰহণ কৰিবলৈ আগ্ৰহ প্ৰকাশ নকৰিলে। কিন্তু পিছলৈ নিজৰ মত সাপেক্ষে যোগদান কৰে।
- কংগ্ৰেছ আৰু মুছলিম লীগৰ মাজত বিবাদ অব্যাহত আছিল।

১৯৪৭ চনৰ ২০ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী এট্‌লিয়ে বৃটিছ চৰকাৰৰ সিদ্ধান্ত ঘোষণা কৰে যে ১৯৪৮ চনৰ জুন মাহৰ ভিতৰত ভাৰতৰ জনসাধাৰণক ক্ষমতা অৰ্পণ কৰা হ'ব। ১৯৪৭ চনৰ মাৰ্চ মাহত লৰ্ড ৱেভেলৰ ঠাইত লৰ্ড মাউণ্টবেটেনে ভাৰতৰ ভাইচৰয় হিচাপে নিযুক্ত হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

১৯৪৭ চনৰ ৩ জুনৰ ঘোষণা-পত্ৰ

- ১৯৪৭ চনৰ ৩ জুনত লৰ্ড মাউণ্টবেটেনে ঘোষণা কৰে যে ৰাজনৈতিক অচলাৱস্থাৰ একমাত্ৰ সমাধান হ'ল দেশ বিভাজন, আৰু তেওঁ কংগ্ৰেছৰ নেতাসকলক সেই দৃষ্টিভংগীৰে আগুৰি ধৰিলে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- তেওঁৰ ঘোষণাৰ মূল বৈশিষ্ট্য আছিল —
  (i) ভাৰত বিভাজন কৰা হ'ব।
  (ii) উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশত গণভোট অনুষ্ঠিত হ'ব যাতে তেওঁলোকৰ বাসিন্দাসকলে ভাৰত বা পাকিস্তানত যোগদান কৰিব বিচাৰে নেকি সেইটো নিৰ্ণয় কৰিব পাৰি।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

(iii) পঞ্জাৰ আৰু বংগৰ প্ৰাদেশিক বিধানমণ্ডলে প্ৰদেশসমূহ বিভাজন কৰা হ'ব নে নহয় সেইটো নিজে সিদ্ধান্ত ল'ব।

(iv) দেশীয় ৰাজ্যবোৰে নিজ ইচ্ছা অনুসৰি ভাৰত বা পাকিস্তানত যোগদান কৰিবলৈ স্বাধীন আছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ভাৰত স্বাধীন আইন ১৯৪৭

- ১৯৪৭ চনৰ জুলাই মাহত ব্ৰিটিছ সংসদে ভাৰতীয় স্বাধীনতা আইন গৃহীত কৰে।

ইয়াৰ মূল বিধানসমূহ আছিল —

(i) ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত আৰু পাকিস্তানে স্বাধীনতা লাভ কৰিব।



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

(ii) ভাৰত আৰু পাকিস্তান নামেৰে দুখন স্ব-শাসিত দেশ গঠন হ'ব। ইয়াৰ সংবিধানসভাই ব্রিটিছ কমনৱেলথত দেশ দুখনে যোগ দিব নে নিদিয়ে নিজাববীয়াকে সিদ্ধান্ত ল'ব।

(iii) প্রতিখন স্বশাসীত দেশতে একোজনকৈ গৱর্ণৰ জেনেৰেল ইংলেণ্ডৰ ৰজাই নিযুক্তি দিব।

(iv) দুয়োখন দেশৰ বিধান মণ্ডলে সম্পূর্ণ নিজাববীয়াকে আইন প্রণয়নৰ অধিকাৰ লাভ কৰিব।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

১৫ আগষ্ট, ১৯৪৭, স্বাধীন ভাৰতৰ জন্ম

- ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতৰ ওপৰত ব্ৰিটিছৰ আধিপত্যৰ অন্ত পৰিল।
- দেশখন ভাৰত আৰু পাকিস্তানত বিভক্ত হৈছিল।



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- লৰ্ড মাউণ্টবেটেনক মুক্ত ভাৰতৰ প্ৰথম গৱৰ্ণৰ জেনেৰেল হিচাপে নিযুক্তি দিয়া হয়।
- জৱাহৰলাল নেহৰুৱে প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।
- ১৯৪৭ চনৰ ১৭ আগষ্টত ৰেডক্লিফ লাইনক ভাৰত আৰু পাকিস্তানৰ মাজত সীমা নিৰ্ধাৰণ ৰেখা হিচাপে গ্ৰহণ কৰা হয়।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১) সুভাস চন্দ্র বসুৱে গঠন কৰা সৈন্যবাহিনীটোৰ নাম কি ?

২) স্বাধীন ভাৰতৰ প্রথম প্রধানমন্ত্রী কোন আছিল?